# ২০১৮-১৯ বৰ্ষৰ কাম-কাজৰ চমু আলোকপাত

এতিয়া সাৰ্বজন স্বীকৃত প্ৰমেয় হ'ল যে— গণিত সভ্যতাৰ ৰাজহাড়। গণিতৰ প্ৰগতি আৰু চৰ্চা অবিহনে সভ্যতাৰ প্ৰগতি অসম্ভৱ। সেয়ে আমি ৰাষ্ট্ৰীয় গণিত দিৱসটো অসমৰ সকলো বিদ্যালয়, মহাবিদ্যালয়ত উদ্‌যাপন কৰি গণিত বিষয়টো জনপ্ৰিয় কৰিব বিচাৰিছোঁ। লগতে বিদ্যালয়সমূহত গণিত সংঘ গঠন কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত গণিতৰ ভীতি আঁতৰ কৰি গণিত প্ৰীতি সৃষ্টি কৰিবলৈ সকলোকে আহ্বান জনাইছো। যোৱা ৩৪ বছৰে অসমত গণিত শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ, মেধাৰ অন্বেষণ আৰু গণিত জনপ্ৰিয় কৰণৰ বাবে অসম গণিত শিক্ষায়তনে বিভিন্ন ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত বক্তৃতানুষ্ঠান, ৰচনা প্ৰতিযোগীতা, কুইজ প্ৰতিযোগীতা, প্ৰদৰ্শনী আৰু গণিত অলিম্পিয়াড পৰীক্ষা ইত্যাদি। এই কাৰ্য্যসূচী সমূহৰ সফল ৰূপায়ণৰ বাবে আমি অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকৰ প্ৰতি বিশেষকৈ কৃতজ্ঞতাপূৰ্ণ ধন্যবাদ জ্ঞাপন কৰিছোঁ। তাৰ ওপৰিও অসম গণিত শিক্ষায়তনৰ সম্মানীয় সদস্য সকল, ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু সমূহ গণিতপ্ৰেমি ৰাইজৰ সহায়-সহযোগৰ বাবে আমি আন্তৰিক কৃতজ্ঞতা বিনম্ৰতাৰে স্বীকাৰ কৰিছোঁ। সভা-সমিতি আৰু অলিম্পিয়াডৰ পৰীক্ষা সমূহ অনুস্থিত কৰিবলৈ অনুমতি প্ৰদান কৰা অসমৰ বিভিন্ন শিক্ষানুস্থানৰ মূৰব্বী সকললৈ শিক্ষায়তনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আমাৰ কাৰ্য্যকালত অসম গণিত শিক্ষায়তনৰ কাৰ্য্যসূচী সমূহ আছিল—

১। যোৱা ২৬/০৫/২০১৯ তাৰিখে অসমৰ ৪৪ কেন্দ্ৰত গণিত অলিম্পয়াড অনুস্থিত কৰা হয়। মুঠতে ২৯০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত অংশগ্ৰহণ কৰে। যোৱা ১৯/০৯/২০১৯ তাৰিখে এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। তেজপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শ্ৰী অয়ন নাথে এই পৰীক্ষাৰ Category-IIIৰ পৰা শ্ৰেষ্ঠ স্থান লাভ কৰি সুব্ৰতানন্দ দুৱৰা সোণৰ পদক লাভ কৰে।

২। যোৱা মাৰ্চ মাহত অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকৰ পৰা বিভিন্ন শৈক্ষিক কামৰ বাবে ৪ (চাৰি) লাখ টকাৰ অনুদান লাভ কৰা হয়।

৩। যোৱা ১২/০৬/২০১৯ তাৰিখে ছিপাঝাৰ জাতীয় বিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ দৰং জিলা শাখাৰ উদ্যোগত এটা গণিত অলিম্পিয়াডৰ প্ৰশিক্ষণ অনুস্থিত কৰা হয়। এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাবে ড° প্ৰবীণ দাস, শ্ৰীমনোজ কুমাৰ শৰ্মা আৰু ড° জ্ঞানজ্যোতি শৰ্মাই অংশগ্ৰহণ কৰে। প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰশিক্ষণত উপস্থিত থাকে।

৪। অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত যোৱা ১৫/০৭/২০১৯ তাৰিখৰ পৰা ১৯/০৭/২০১৯ তাৰিখলৈ এটা শিক্ষক প্ৰশিক্ষণ অনুস্থিত হয়। এই প্ৰশিক্ষণৰ দ্বায়িত্ব অসম গণিত শিক্ষায়তনক দিয়া হয়। এই কাৰ্য্যসূচীত ৩২ জন শিক্ষকে অংশগ্ৰহণ কৰে। সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰে শ্ৰীবীৰব্ৰত দাস চৌধুৰী, ড° প্ৰবীণ

দাস, ড° ৰামচন্দ্ৰ ডেকা, বিশ্বজিৎ চক্ৰবৰ্ত্তী, ড° নিত্যজ্যোতি কলিতা, শ্ৰীমনোজ কুমাৰ শৰ্মা, ড° জ্ঞানজ্যোতি শৰ্মা, শ্ৰীনৰজিৎ তালুকদাৰ আৰু ড° তাজউদ্দিন আহমেদ। উল্লেখযোগ্য যে ১৫/০৭/২০১৯ তাৰিখৰ পৰা ১৯/০৭/২০১৯ লৈ আমি শিক্ষক প্ৰশিক্ষণত ব্যস্ত থকাৰ বাবে অসম গণিত শিক্ষায়তনৰ প্ৰতিষ্ঠা দিৱস (১৮/০৭/২০১৯) পালন কৰিব পৰা নগ'ল তাৰ বাবে আমি দুখিতঃ। তথাপিও শিক্ষকসকলৰ মাজত প্ৰতিষ্ঠা দিৱসৰ বিষয়ে আলোচনা কৰা হয়।

৫। যোৱা ৪/৮/২০১৯ তাৰিখে নগাওঁ মহাবিদ্যালয়ত এখন জিলা ভিত্তিক Mathematics Exhibition অসম গণিত শিক্ষায়তনৰ নগাওঁ জিলা শাখাৰ উদ্যোগত অনুস্থিত হয়। এই কাৰ্য্যসূচীত অসম গণিত শিক্ষায়তনৰ সভাপতি ড° ৰাম চন্দ্ৰ ডেকা, বিপুল খাউণ্ড আৰু ড° জ্ঞানজ্যোতি শৰ্মা উপস্থিত থাকে। প্ৰতিযোগীতাত ৩৩টা দলে অংশগ্ৰহণ কৰে।

৬। যোৱা ১৮/৮/২০১৯ তাৰিখে যোৰহাট জিলাত অসম গণিত শিক্ষায়তনৰ এটা শাখা গঠন কৰা হয়। JIST ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাফেল কুমাৰ শইকীয়াদেৱক সভাপতি আৰু শ্ৰী কাকলি বৰঠাকুৰক সম্পাদক হিচাবে লৈ এখন জিলা কমিটি গঠন কৰি দিয়া হয়।

৭। যোৱা ২৪/৮/২০১৯ তাৰিখে গুৱাহাটীৰ T. C. Govt. Girls HS and M.P. School ত অসম গণিত শিক্ষায়তনৰ ৩৩ তম Annual Congress অনুস্থিত কৰা হয়। এই সভাত অসম গণিত শিক্ষায়তনৰ প্ৰতিষ্ঠা কালৰ ৫ গৰাকী জ্যেষ্ঠ শিক্ষকক সম্বৰ্দ্ধনা জ্ঞাপনৰ ব্যৱস্থা কৰা হয়। প্ৰতিস্থাপক সভাপতি ড° বুদ্ধপ্ৰসাদ চেতিয়া, প্ৰতিস্থাপক সম্পাদক ড° তাৰকেশ্বৰ চৌধুৰী, ড° বিশ্বজিত ভাগবতী, ড° নন্দৰাম দাস আৰু শ্ৰীপদ্ম তামুলী দেৱক এই সভাত সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। ব্যক্তিগত অসুবিধাৰ বাবে ড° বুদ্ধপ্ৰসাদ চেতিয়া ড° নন্দৰাম দাস আৰু পদ্ম তামুলিদেৱ উপস্থিত হ'ব নোৱাৰিলে। তেখেতসকলক ঘৰত গৈ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। এই সভাত স্নাতক পৰীক্ষাত শ্ৰেষ্ঠ স্থান লাভ কৰা কবিৰ বাঢ়ৈ আৰু ৰিদিপ শৰ্মাক হৰিপ্ৰসাদ শইকীয়া সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত গণিত বিষয়ত সৰ্ব্বোচ্চ নম্বৰ লাভ কৰা শ্ৰী মতী অনিন্দিতা নাথক হলিৰাম দত্ত সোঁৱৰণী সোণৰ পদক প্ৰদান কৰা হয়।

৮। ২৫/৮/২০১৯ তাৰিখে শিৱসাগৰ জিলাত অসম গণিত শিক্ষায়তনৰ এটা শাখা গঠন কৰা হয়। শ্ৰীপ্ৰণৱ বৰুৱাদেৱক সভাপতি আৰু শ্ৰী জিতেন হাজৰিকাদেৱক সম্পাদক হিচাবে লৈ জিলা সমিতিখন গঠন কৰা হয়।

৯। যোৱা ৯/৯/২০১৯ তাৰিখে অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ আৰু কাচাৰ জিলাত শাখা গঠন কৰা হয়। দৰং মহাবিদ্যালয়ত অনুস্থিত সভাত ড° প্ৰবীন দাস আৰু ড° জ্ঞানজ্যোতি শৰ্মাই অংশগ্ৰহণ কৰে। ড° ৰামচৰণ ডেকাদেৱক সভাপতি আৰু শ্ৰীঅনামিকা গগৈক সম্পাদক হিচাবে নিৰ্বাচিত কৰা হয়।

১০। আনহাতে সেইদিনাই শিলচৰৰ গুৰুচৰণ কলেজত অসম গণিত শিক্ষায়তনৰ কাচাৰ জিলা শাখা গঠন কৰা হয়। সভাত ড° বিপ্লব চৌধুৰীদেৱক সভাপতি আৰু ড° দেবাশিষ শৰ্মাক সম্পাদক হিচাবে লৈ এখন জিলা সমিতি গঠন কৰা হয়।

১১। যোৱা ৩/১০/২০১৯ তাৰিখে ড° দিলীপ কুমাৰ দত্তৰ স্মৃতিচাৰণ সভা অসম সাহিত্য সভা আৰু অসম গণিত শিক্ষায়তনৰ উদ্যোগত অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুস্থিত কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° পৰমানন্দ ৰাজবংশীদেৱে সভাপতিত্বত অনুস্থিত কৰা সভাখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জিয়ক শ্ৰীমহেশ ভূঞা, কটন কলেজৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° তাৰকেশ্বৰ চৌধুৰী আৰু বহুকেইগৰাকী বিশিষ্ট শিক্ষাবিদ উপস্থিত থাকে। তাৰ উপৰিও প্ৰয়াত ড° দত্তদেৱ পৰিয়ালৰ বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে।

১২। যোৱা ২০/১০/২০১৯ তাৰিখে RMOৰ পৰীক্ষা গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ আৰু তেজপুৰত অনুস্থিত কৰা হয়। এই পৰীক্ষাত ২৮৯ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

১৩। যোৱা ৩/১১/২০১৯ তাৰিখে গুৱাহাটীৰ আৰ্য্যবিদ্যাপিঠ মহাবিদ্যালয়ত এখন EC Meeting অনুস্থিত কৰা হয়।

১৪। অসম গণিত শিক্ষায়তনৰ দৰং জিলা শাখাৰ সহযোগত যোৱা ২৯/১১/২০১৯ তাৰিখে শান্তিৰাম দাস স্মাৰক বক্তৃতা অনুস্থিত কৰা হয়। দৰং জিলাৰ পশ্চিম ৰঙামাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুস্থিত এই অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপিকা ড° চন্দ্ৰৰেখা মহন্তবাইদেৱে। সভাত দৰং জিলাৰ বিভিন্ন বিদ্যালয়ৰ প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

১৫। যোৱা ১২/১১/২০১৯ তাৰিখে বৰনগৰ মহাবিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ বৰপেটা জিলা শাখা গঠন কৰা হয়। বৰনগৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰেন কুমাৰ চক্ৰবৰ্ত্তীদেৱক সভাপতি আৰু শ্ৰীদুলাল দাসক সম্পাদক হিচাবে লৈ এখন জিলা কমিটি গঠন কৰা হয়।

১৬। যোৱা ৪/১২/২০১৯ তাৰিখে উত্তৰ লক্ষীমপুৰৰ L.T.K. কলেজত আগন্তুক ৩৪তম দ্বিবাৰ্ষিক অধিবেশৰ সম্পৰ্কে আলোচনাৰ বাবে এখন ৰাজহুৱা সভা অনুস্থিত হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট শিক্ষাবিদ ড° মুকুন্দ ৰাজবংশীদেৱে। সভাত এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অসম গণিত শিক্ষায়তনৰ প্ৰাক্তন সভাপতি ড° প্ৰবীন দাস আৰু প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীবীৰব্ৰত দাস চৌধুৰী আৰু সাধাৰণ সম্পাদক উপস্থিত থাকে।

১৭। বি. বৰুৱা মহাবিদ্যালয় আৰু USTMৰ সহযোগত ২২/১২/২০১৯ তাৰিখে গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত ৰাষ্ট্ৰিয় গণিত দিবস উদ্‌যাপন কৰা হয়। এই সভাত বিশিষ্ট শিক্ষাবিদ ড° কমলেন্দুদেৱ ক্ৰোৰিদেৱক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

১৮। যোৱা ৪, ৫ আৰু ৬ জানুৱাৰী ২০২০ তাৰিখে Homi Bhaba Centre for Science Education ৰ বিত্তীয় সাহাৰ্য্যত অসম গণিত শিক্ষায়তনৰ কাৰ্য্যসূচীত অসমৰ বিভিন্ন জিলাৰ ২৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সমল ব্যক্তি হিচাবে উপস্থিত থাকে Prof. M. B. Rege (NEHU), Mr. Pankaj Agarwala (Delhi), Dr. Anupam Saikia (IITG) and Dr. Debasish Sharma (G. C. College)।

১৯। যোৱা ১২/১/২০২০ তাৰিখে বাইহাটা চাৰিআলিৰ Getway Academeyত অসম গণিত শিক্ষায়তনৰ কামৰূপ (গ্ৰাম্য) জিলাৰ এটা শাখা গঠন কৰা হয়। ড° নৃপেন তালুকদাৰদেৱক সভাপতি আৰু ড° লতিকা কলিতাক সাধাৰণ সম্পাদক হিচাবে লৈ এখন কমিটি গঠন কৰা হয়।

২০। যোৱা ১৯/১/২০২০ তাৰিখে গোলাঘাটত গণিতমেলা অনুষ্ঠিত হয়। সভাত সাধাৰণ সম্পাদক ড° জ্ঞানজ্যোতি শৰ্মা উপস্থিত থাকে। এই উপলক্ষে অনুস্থিত কৰ্মশালাত শ্ৰীবীৰব্ৰত দাস চৌধুৰীদেৱে সমল ব্যক্তি হিচাবে যোগদান কৰে।

২১। যোৱা ২/২/২০২০ তাৰিখে USTM আৰু B. Baruah Collegeৰ সহযোগত ৰাষ্ট্ৰীয় গণিত দিৱসীয় বক্তৃতা অনুস্থিত কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° নয়নদীপ ডেকা বৰুৱাদেৱে এই বক্তৃতা প্ৰদান কৰে। অসমৰ চাৰিগৰাকী বিশিষ্ট গণিত শিক্ষক ক্ৰমে ড° গুণিন্দ্ৰ চন্দ্ৰ শৰ্মা (অসম বিশ্ববিদ্যালয়), ড° বিজয় কৃষ্ণদেৱ শৰ্মা (উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়) ড° উপেন্দ্ৰ নাথ দাস (গুৱাহাটী বিশ্ববিদ্যালয়) আৰু ড° উপেন্দ্ৰ নাথ মিশ্ৰদেৱ (গুৱাহাটী বিশ্ববিদ্যালয়)ক এই সভাত সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। আৰু ২০১৯ চনৰ গণিত অলিম্পিয়াদৰ বঁটা সমূহ প্ৰদান কৰা হয়।

২২। যোৱা ২৮/২/২০২০ তাৰিখে ডিব্ৰুগড় BCPL Administrative Building (Brahmaputra Cracker and Polymer Limited) ত অসম গণিত শিক্ষায়তনৰ ডিব্ৰুগড় জিলা শাখা গঠন কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° গোপাল চন্দ্ৰ হাজৰিকাদেৱক সভাপতি আৰু BCPL অভিযন্তা ড° প্ৰাঞ্জল ফুকনদেৱক সাধাৰণ সম্পাদক হিচাপে হৈ অখন ১৬ জনীয়া কমিটি গঠন কৰা হয়।

২৩। অসম গণিত শিক্ষায়তনৰ আৰু Mathematics Teachers Association (India) ৰ যুটীয়া উদ্যোগত দৰং মহাবিদ্যালয়ত আন্তৰাষ্ট্ৰীয় গণিত দিবস ১৪/৩/২০২০ তাৰিখে অনুস্থিত কৰিবলৈ লোৱা হৈছে। এই কাৰ্যসুচীত গণিত, কুইজ গণিতৰ প্ৰদৰ্শনী প্ৰতিযোগিতা আৰু এটা বক্তৃতা অনুস্থিত কৰা হয়।

স্বাক্ষৰ
ড° জ্ঞানজ্যোতি শৰ্মা
সাধাৰণ সম্পাদক

## অসম গণিত শিক্ষায়তনৰ বিভিন্ন শাখাৰ প্ৰতিবেদন

**গোলাঘাট শাখা ঃ**

অসম গণিত শিক্ষায়তন, গোলাঘাট শাখা ২০১৮ চনৰ ১ ছেপ্তেম্বৰত গঠন কৰা হয়। শাখা গঠনৰ সময়ৰপৰা বৰ্তমানলৈকে শাখাটোৱে ছাত্ৰ-ছাত্ৰীৰ গণিত উৎকৰ্ষ সাধনৰ উদ্দেশ্যে বহুটো কাৰ্যসূচী ৰূপায়ন কৰি আহিছে। তাৰ মূল কাৰ্যসূচী সমূহ হ'ল—

**১৩ অক্টোবৰ, ২০১৮ ঃ**

শাখাৰ প্ৰথমখন গণিত কৰ্মশালা অনুষ্ঠিত হয় দেৰগাঁৱৰ ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱা এই কৰ্মশালাত দেৰগাঁৱৰ নৱম-দশম শ্ৰেণীত অধ্যয়নৰত ১০ খন বিদ্যালয়ৰ প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰী আৰু ৫০ জন শিক্ষকে অংশগ্ৰহণ কৰে। সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অসম গণিত শিক্ষায়তনৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ড° জ্ঞানজ্যোতি শৰ্মা, প্ৰাক্তন সভাপতি তথা Regional Mathematics Olympiad ৰ ক্ষেত্ৰীয় সমন্বয়ক ড° প্ৰবীণ দাস, গোলাঘাট শাখাৰ সম্পাদক সিদ্ধাৰ্থ প্ৰতীম গগৈ আৰু যুটীয়া সম্পাদক চৈয়দ আক্ৰাম হুছেইনে।

**২২ ডিচেম্বৰ, ২০১৮ ঃ**

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে গোলাঘাটতো ৰাষ্ট্ৰীয় গণিত দিৱস উদ্‌যাপন কৰা হয়। গোলাঘাটৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত হোৱা এই অনুষ্ঠানত অসম ভিত্তিত 'গণিত কুইজ' অনুষ্ঠিত কৰা হয় য'ত অসমৰ বিভিন্ন ঠাইৰ ১৬ টা দলে অংশগ্ৰহণ কৰে। শাখাৰ সম্পাদক, সিদ্ধাৰ্থ প্ৰতীম গগৈ 'কুইজ মাষ্টাৰ' হিচাপে থকা প্ৰতিযোগিতাখনত দিল্লী পাব্লিক স্কুল, নুমলীগড়ৰ সপ্তৰ্ষি চৌধুৰী আৰু অৰুণাভ বৰঠাকুৰৰ দলে শ্ৰেষ্ঠতা অৰ্জন কৰে। শ্ৰেষ্ঠ দলটিক স্বৰ্গীয় জীৱকান্ত গগৈৰ স্মৃতিত তেখেতৰ পুত্ৰ দীপক কুমাৰ গগৈয়ে আগবঢ়োৱা নগদ ৫০০০ টকা আৰু সৰস্বতী প্ৰকাশনে আগবঢ়োৱা কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানত Packet Lunch ৰ যোগান ধৰে শ্যাম চুইটছে।

উক্ত অনুষ্ঠানতেই অসমৰ সন্তান সুদুৰ আমেৰিকাৰ Kansas বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ভাৰ্গৱ জ্যোতি শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক খুউব মনোগ্ৰাহী বক্তৃতা ৰাখে।

**১২ নৱেম্বৰ, ২০১৯ ঃ**

অসম গণিত শিক্ষায়তন, গোলাঘাটৰ সদস্য শ্ৰীযুত ধ্ৰুৱজ্যোতি শইকীয়াৰ নিজা উদ্যোগত তেওঁৰ কৰ্মৰত বিদ্যালয় কাকডোঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১০ খন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অসম গণিত শিক্ষায়তন, গোলাঘাট শাখাৰ বেনাৰত শাখাৰ দ্বিতীয়খন 'গণিত কৰ্মশালা' অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলক গণিত অলিম্পিয়াড তথা সৰ্বভাৰতীয় বৃত্তিমূলক পৰীক্ষাৰ প্ৰশ্নসমূহ চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে এই কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাৰ সমল ব্যক্তি আছিল শাখাৰ সম্পাদক সিদ্ধাৰ্থ প্ৰতীম গগৈ।

**১৭ নৱেম্বৰ, ২০১৯ঃ**

এই দিনটো গোলাঘাটৰ গণিত শিক্ষাজগতৰ বাবে এটা উল্লেখযোগ্য দিন। গোলাঘাট জিলাখনত পোন প্ৰথমবাৰৰ বাবে গণিত অলিম্পিয়াড তথা সৰ্বভাৰতীয় বৃত্তিমূলক পৰীক্ষাত অহা গণিতৰ প্ৰশ্নসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ লগত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে এই পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষাৰ নাম ৰখা হয় গণিত উৎকৰ্ষ সাধন পৰীক্ষা। প্ৰশ্নকাকতখনত ২০ টা পাঠ্যপুথিৰ প্ৰশ্ন, ১০ টা গণিত অলিম্পিয়াডৰ প্ৰশ্ন আৰু ১০ টা সৰ্বভাৰতীয় বৃত্তিমূলক পৰীক্ষাৰ প্ৰশ্ন থাকে। MCQ ধৰণৰ এই প্ৰশ্নৰ উত্তৰসমূহ ছাত্ৰ ছাত্ৰীয়ে OMR sheet ত লিখে। ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে শ্ৰেণী ভিত্তিত এই পাঁচটা শাখাত জিলাখনৰ ৮২ খন বিদ্যালয়ৰ ১৫০০ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলাখনৰ মুঠ ১৬ টা কেন্দ্ৰত এই পৰীক্ষাসমূহ অনুষ্ঠিত হয়। প্ৰতিটো শাখাৰ পৰা প্ৰথম তিনিজনৰ Rank, তাৰ পিছৰ ৫% ক Certificate of merit আৰু তাৰ পিছৰ ১০% কCertificate of Appreciation প্ৰদান কৰা হয়। ১ ডিচেম্বৰত ফলাফল ঘোষণা কৰা এই পৰীক্ষাত উত্তীৰ্ণ সকলক নগদ ধন কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰা হয়, ২০২০ চনৰ ১৯ নৱেম্বৰৰ গণিত মেলাত।

**২২ ডিচেম্বৰ, ২০১৯ঃ**

শাখাৰ নতুন সদস্য কিৰণময়ী বুঢ়াগোঁহাইৰ নিজা উদ্যোগত, মৰঙি শিশু ভৱনৰ সহযোগত অসম গণিত শিক্ষায়তনৰ দ্বাৰা মৰঙি শিশু ভৱনত 'ৰাষ্ট্ৰীয় গণিত দিৱস' উদ্‌যাপন কৰা হয়। ৫ খন বিদ্যালয়ৰ প্ৰায় ১০০ জন ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱকে অংশগ্ৰহণ কৰা অনুষ্ঠানটোৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা 'গণিতীয় আৰ্হি প্ৰস্তুতকৰণ' শীৰ্ষক কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে শাখাৰ সম্পাদক সিদ্ধাৰ্থ প্ৰতীম গগৈয়ে।

**১৯ জানুৱাৰী, ২০২০ঃ**

গণিত জনপ্ৰিয়কৰণক এক মাত্ৰা প্ৰদান কৰাৰ উদ্দেশ্য সম্পূৰ্ণ এক নতুন ধাৰণাৰে এই দিনটোতে গোলাঘাটৰ হামদৈ উচ্চ বুনিয়াদী বিদ্যালয়ত 'গণিত মেলা ২০২০' অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শাখাৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি ড° বিপুল চন্দ্ৰ ভূঞাই। ইয়াৰ পিছতে জিলা ভিত্তিত অনুষ্ঠিত হোৱা 'গণিতীয় আৰ্হি' প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীৰ শাখাত শ্ৰেষ্ঠতা অৰ্জন কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ ছাত্ৰী প্ৰাচুৰ্য্যা ৰাণী ভৰালী আৰু সীমাদ্ৰী হাতীবৰুৱাৰ দলে আৰু নৱম- দশম শ্ৰেণীৰ শাখাত শ্ৰেষ্ঠতা অৰ্জন কৰে বছা বকীয়াল জ্ঞানপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী মুন বৰা আৰু কল্পনা বৰাৰ দলে। প্ৰতিযোগিতাৰ বিচাৰকদ্বয় আছিল চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়, বোকাখাটৰ উপাধ্যক্ষ সুৰজিৎ দত্ত ছাৰ আৰু জয়া গগৈ মহাবিদ্যালয়, খুমটাইৰ গণিত বিভাগৰ সহকাৰী প্ৰৱক্তা ড° উৎপল শৰ্মা ছাৰ।

ইয়াৰ পিছতে গণিত উৎকৰ্ষ সাধন পৰীক্ষাৰ Rank আৰু Certificate of merit প্ৰাপ্ত সকলৰ লগতে শিক্ষক সকলৰ বাবেও এক গণিত কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অসম গণিত শিক্ষায়তনৰ প্ৰাক্তন সম্পাদক তথা বঙ্গাইগাঁও পলিটেকনিকৰ গণিত বিভাগৰ জ্যেষ্ঠ প্ৰৱক্তা বীৰব্ৰত দাস চৌধুৰী ছাৰে।

অনুষ্ঠানৰ শেষত হোৱা বঁটা বিতৰণী সভাত অসম গণিত শিক্ষায়তনৰ প্ৰতিষ্ঠাপক সকলৰ অন্যতম তথা নাজিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন বিষয় শিক্ষক শ্ৰীযুত পদ্ম তামুলী ছাৰক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানতে অসম গণিত শিক্ষায়তনৰ অলিম্পিয়াড পৰীক্ষাৰ গোলাঘাট কেন্দ্ৰৰ কেন্দ্ৰ সমন্বয়ক তথা গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ

মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিমান চন্দ্ৰ গোস্বামী ছাৰকো সম্বৰ্ধনা জনোৱাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু স্বাস্থ্যজনিত কাৰণত তেখেত উপস্থিত থাকিব নোৱাৰিলে। তেখেতক পিছত ঘৰত গৈ সম্বৰ্ধনা জনোৱা হয়।

অনুষ্ঠানৰ শেষলৈ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ প্ৰতিযোগিতা সমূহৰ বঁটা প্ৰদান কৰাৰ লগতে 'অসম গণিত শিক্ষায়তন' গোলাঘাট শাখাৰ বাৰ্ষিক মুখপত্ৰ 'গণিত উৎকৰ্ষ, প্ৰথম সংখ্যা' উন্মোচন কৰা হয়। মুখপত্ৰ খনৰ সম্পাদক জয়ন্ত কুমাৰ শইকীয়া আৰু সহকাৰী সম্পাদক শৈলেন্দ্ৰ কুমাৰ দত্তবৰুৱা।

**ভৱিষ্যৎ পৰিকল্পনা** ঃ অসম গণিত শিক্ষায়তন, গোলাঘাট শাখাই অনাগত দিনত গণিত জনপ্ৰিয়কৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ গণিত উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আৰু বহুতো আকৰ্ষণীয় অনুষ্ঠান আয়োজন কৰাৰ পৰিকল্পনা কৰিছে। যিবোৰৰ এক থুলমুল বিৱৰণ তলত দিয়া হ'ল।—

১) 'গণিতৰ সৈতে খেলো আঁহা' , গণিত অলিম্পিয়াডৰ প্ৰস্তুতিৰ বাবে অনুষ্ঠিত কৰা কৰ্মশালা। শাখা গঠনৰ আগতে শাখাৰ বৰ্তমানৰ সম্পাদক সিদ্ধাৰ্থ প্ৰতীম গগৈৰ সম্পূৰ্ণ নিজা ধ্যান-ধাৰণাৰে গোলাঘাট পলিটেকনিকৰ প্ৰৱক্তা শ্যামলোচন বৰা আৰু পিছলৈ ৰিলায়েন্স কনিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত গোলাঘাট পলিটেকনিকৰ প্ৰৱক্তা নৰজ্যোতি দত্ত, চন্দ্ৰনাথ বেজবৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ সুৰজিৎ দত্ত ছাৰ, শংকৰদেৱ শিশু বিদ্যা নিকেতন আৰু বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ সহযোগত ২০১৭ চনৰ ৩ চেপ্তেম্বৰ তাৰিখৰ পৰা এইলানি কৰ্মশালা অনুষ্ঠিত হৈ আহিছে। কিছুদিন এই কৰ্মশালা সমূহ বন্ধ হৈ আছিল, যিবোৰ পুনৰাই শাখাৰ বেনাৰত ৰূপায়ন কৰা হ'ব। ন ন বিষয়লৈ ন ন ঠাইলৈ ইয়াৰ সম্প্ৰসাৰণ কৰা হ'ব।

২) গণিত উৎকৰ্ষ সাধন পৰীক্ষা প্ৰতিবছৰে অনুষ্ঠিত কৰা হ'ব আৰু এই পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ বাবে সময়ে সময়ে বিভিন্ন ধৰণৰ কৰ্মশালা অনুষ্ঠিত কৰা হ'ব।

৩) শাখাৰ পৰা সাম্প্ৰতিক সময়ত প্ৰচলিত বৃত্তিমূলক পৰীক্ষাৰ Syllabus অনুযায়ী স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে এখন কিতাপ প্ৰকাশ কৰা। কিতাপখন অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে বেলেগে বেলেগে প্ৰকাশ কৰা হ'ব।

৪) সদৌ অসম ভিত্তিত 'গণিত কুইজ' প্ৰতিযোগিতা প্ৰতিবছৰে অনুষ্ঠিত কৰা।

৫) কেন্দ্ৰীয় সমিতিৰ দুই এক কাৰ্যসূচী গোলাঘাটত ৰূপায়ন কৰা।

**Cachar District Branch, Silchar :**

The Cachar District Branch of Assam Academy of Mathematics was formed on 8th September 2019 by the initiative of Mathematics enthusiasts of the district with the motive of promoting mathematics in general and AAM activities in particular. Dr. Biplab Chaudhuri, Head of the Department of Mathematics, Gurucharan College was elected unanimously as the President and Prof. Jayee Nath of the same department was elected as the Vice President. The portfolios of General Secretary and Joint Secretaries went to Dr. Debashish Sharma, Gurucharan College, Mr. Bishwajit Chakraborty, Silchar Collegiate School and Mr. Bappa Roy, Ramanuj Vidya Mandir respectively. Mr. Sudip Chandra Paul, Gurucharan College was elected as the treasurer. An advisory board was also formed with three members, namely Prof. Kallol Paul, Jadavpur University, Prof. Karabi Dutta Choudhury, Assam University and Dr. Bibhas Deb, Principal, Gurucharan College. The newly formed branch took the initiative of conducting a pre-RMO camp for the candidates who qualified PRMO from Silchar centre. A total of 22 participants attended the camp from 15th to 19th October 2019 at Gurucharan College. The camp served the dual purpose of training the participants and creating a pool of local resource persons for Olympiad level activities. Young teachers and research scholars were given a chance to lecture in the camp. The resource persons were Dr. Debashish Sharma, Mr. Biplab Dhar (Research scholar, NIT Silchar), Mr. Shomavo Chakraborty (Palonghat HS School), Mr. Rahul Paul (MSc

student, NIT Silchar ) and Mr. Sabasachi Das (Dr. Kalam Institute of Education ). The camp received a very positive response from the participants.

The AAM Cachar District Branch also took the initiative to celebrate National Mathematics Day 2019 on 22nd December 2019 in a befitting manner. The program consisted of an inaugural session followed by an invited lecture and a quiz competition. The students of Department of Mathematics, Gurucharan college beautifully presented the Bengali version of the AAM song under the gudance of Mr. Subrata Roy, Executive member,AAM Cachar District. The branch also felicitated two eminent mathematics teachers of the region, namely Mr. Durgesh Ranjan Dey Purkayastha and Mr. Sitesh Ranjan Deb for their sincere efforts in imparting mathematics education at school level. A wonderful invitied talk, titled "Beautiful Mathematics " was presented by Dr. Kedar Nath Das,NIT Silchar. A total of around 150 students attended the program. Earlier on the day, a screening round was held for selecting five teams out of 70 teams for the mathematical quiz competition "Mathwiz" for students of classes VIII to X. The quiz was highly appreciated for its quality of presentation and neck to neck competition among the teams. The first prize went to Sanjiban Paul and Diptarup Das from Maharishi Vidya Mandir and the 2nd prize went to Nirjhar Nath and Aditya Deb Roy from Holy Cross School, Kabuganj.

The Cachar District Branch of Assam Academy of Mathematics will continue with various sorts of activities for promoting mathematics among the students and teachers of the region with active support from all.

**Nagaon Branch :**

1. Work shop on Learning Mathematics in Secondary Level. From 1st July,2017 to 5th July, 2017.

AAM, Nagaon Branch organized a 5 Days Workshop from 1st July 2017 to 5th July, 2017 on Learning Mathematics in Secondary Level among the students of classes XI and X. Altogether 62 students participated in the program from different schools of Nagaon District. Seven Teachers were teaching mathematics in different topics, Activity in Mathematics lab , Set Theory and Trigonometry, Application of Trigonometry, Number System ( Mathletics & Olympiad) and Inequality ( Mathletics & Olympiad).

Workshop on "Learning of Mathematics in Secondary level" from 1st July,2017 to 5th July,2017 at Nowgong College was organized by AAM, Nagaon Branch and Dept. of Mathematics, Nowgong college.

2. Mathematics Olympiad was held on 10th Sept. 2017.

In this examination there were 3 Students in category-I, 15 students in category-II and 17 students in category-III. Total students - 25.

3. National Mathematics Day

AAM, Nagoan Branch observed National Mathematics Day on 22nd Dec. 2017 at Bahampur S.S.A Girl's High School, Bahampur. There were about 180 Students participating in different competitions.

4. Mathletics

In this examination held on 20th May, 2018, 60 groups participated in category-III only.

5. Mathematics Olympiad, 2019

Mathematics Olympiad was held on 26th May, 2019 with participating students as follows-

Category-I 29, Category-II 37 and Category-II 16,   Total - 82 students

6. Mathematics Exhibition, 2019.

AAM, Nagaon Branch organized a District Level mathematics exhibition on 4th August, 2019 at Nowgong college.

**চাপৰ শাখা ঃ**

১। Mathematics Olympiad ৰ বাবে ৫ম শ্ৰেণীৰ পৰা ১ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলকলৈ বিশেষ পাঠদান কাৰ্যসূচী সম্পন্ন কৰা হয়। ২। অসম গণিত শিক্ষায়তনে অনুষ্ঠিত কৰা ২০১৯ চনৰ ২৬ মে' তাৰিখে অনুষ্ঠিত কৰা Mathematics Olympiad পৰীক্ষাত আমাৰ চাপৰ কেন্দ্ৰইও অংশগ্ৰহন কৰে আৰু প্ৰথম কেটেগৰিত জুহি ৰায়ে পঞ্চম স্থান লাভ কৰে। ৩। ২২/১২/২০১৯ তাৰিখে ৰামানুজনৰ জন্ম দিনটো ৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে অনুষ্টুপীয়াকৈ পালন কৰা হয়।

**Bongaigaon branch :**

1. Organized AAM State MO at Bongaigaon Centre in the Categories. 2. Organized a 'Smriticharan Xabha' on 18th June, 2019 to pay tribute to the renowned mathematics communicator of Assam Mr. Dhurjyoti Prasad Mazumdar expired on 7th June, 2019. AAM, Bongaigaon unit also sent a condolence message to the bereaved family.

**Biswanath Chariali Branch :**

The Biswanath Chariali branch of AAM was established on 2017, 2 February at Biswanath Chariali. Dr. Arun Chaliha and Pranjal Bordoloi was elected as district president and secretary respectively.

A general meeting was held on 2nd April, 2017 to chalk out programmes for students of the locality.

A three days workshop was organised and a popular talk on mathematics was delivered by Arun Sharania, HOD, Mathematics, T.H.B. College at THB College, Jamugurihat.

**দৰং শাখা ঃ**

অসম গণিত শিক্ষায়তন, দৰং জিলাৰ ২০১৮-১৯ বৰ্ষৰ দ্বিবাৰ্ষিক অধিবেশনখন মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ইং ২১-০৩-২০১৯ তাৰিখে অনুস্থিত হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ড° জ্ঞানজ্যোতি শৰ্মা, সম্পাদক, অসম গণিত শিক্ষায়তন। অধিৱেশনত মাননীয় চমক ৰায় কলিতা, অৱসৰী প্ৰধান শিক্ষক, নগাওঁ জনতা হাইস্কুল, সভাপতি আৰু পবিত্ৰ হাজৰিকা, শিক্ষক, ছিপাঝাৰ বি. জে. উচ্চ মাধ্যমিক বিদ্যালয়, সম্পাদক, নৱ নিযুক্ত হিচাবে লৈ মুঠ নজনীয়া নতুন কমিটিখন গঠন কৰা হয়। বিগত সময়ছোৱাৰ মে' মাহত (২০১৯) মঙ্গলদৈ শাখাৰ উদ্যোগত মেথেমেথিক্স অলিম্পিয়াদ পৰীক্ষা হয়। ইয়াত প্ৰায় ১৫০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। আনহাতে জুলাই মাহত দৰং জিলাৰ দুখন আগশাৰীৰ প্ৰতিষ্ঠান নৰোদয় স্কুল, টেঙাবাৰী আৰু মঙ্গলদৈ চেণ্ট্ৰেল স্কুলত সভা অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত জিলাখনৰ পৰা ২০ জন ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। বিগত বছৰ ১২ জুলাই, ২০১৯ তাৰিখে দৰং জিলা শাখাৰ উদ্যোগত ছিপাঝাৰ জাতীয় বিদ্যালয়ত ৰাষ্ট্ৰীয় গণিত দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত আছিল ড° প্ৰবীন দাস, প্ৰাঃ সভাপতি, অসম গণিত শিক্ষায়তন, ড° জ্ঞানজ্যোতি শৰ্মা, সম্পাদক, অসম গণিত শিক্ষায়তন আৰু শ্ৰী মনোজ কুমাৰ শৰ্মা, অধ্যাপক, গুৱাহটী কলেজ। অনুষ্ঠানত দৰং জিলাৰ ২৫ খন স্কুলৰ প্ৰায় ২০০ জন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে অংশ গ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত গণিত বিষয়ৰ প্ৰতিযোগিতা প্ৰস্তুতিৰ বাবে কৰ্মশালাখন পৰিচালনা কৰে শ্ৰী মনোজ কুমাৰ শৰ্মাদেৱে। আনহাতে ড° প্ৰবীন দাস আৰু ড° জ্ঞানজ্যোতি শৰ্মাদেৱে শিক্ষক সকলৰ লগত গণিত শিক্ষাৰ

ক্ষেত্ৰত বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰে। একেদৰে যোৱা ২৯-১১-২০১৯ তাৰিখে শিক্ষায়তন দৰং জিলাৰ উদ্যোগত 'শান্তিৰাম দাস স্মাৰক বক্তৃতা' শীৰ্ষক অনুষ্ঠানখনি পশ্চিম ৰঙামাটি হাইস্কুলত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মুখ্য ভাষণ প্ৰদান কৰে ড° চন্দ্ৰৰেখা মহন্ত ডাঙৰীয়ানীয়ে, অধ্যাপিকা গুৱাহাটী বিশ্ববিদ্যালয়। লগতে অনুষ্ঠানখনত অতিথি হিচাপে অসম গণিত শিক্ষায়তনৰপৰা উপস্থিত থাকে ড° ৰামচন্দ্ৰ ডেকা, ড° প্ৰবীণ দাস, ড° জ্ঞানজ্যোতি শৰ্মা আৰু ড° লতিকা কলিতা, অধ্যাপক কাৰিকৰী মহাবিদ্যালয়, বাইহাটা চাৰিআলি।

ইয়াৰ উপৰিও বিভিন্ন সময়ত শিক্ষায়তনৰ দ্বাৰা গণিত জনপ্ৰিয় কৰাৰ উদ্দেশ্যে গণিতৰ সৰুসুৰা কৰ্মশালা অনুষ্ঠিত কৰা হয়।

**যোৰহাট শাখা ঃ**

২০১৯ চনৰ ১৮ আগষ্ট দেওবাৰে অসম গণিত শিক্ষায়তন কেন্দ্ৰীয় সমিতিৰ সম্পাদক মহোদয়ৰ সহযোগত আৰু শিক্ষয়িত্ৰী কাকলি বৰঠাকুৰৰ একক প্ৰচেষ্টাত তৰাজান উচ্চ মাধ্যমিক বিদ্যালয়ত ১৫ জনীয়া সদস্যৰ যোৰহাট শাখা মুকলি কৰা হয়। শাখা মুকলি সভাখনত সভাপতিত্ব কৰে যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাফেল কুমাৰ শইকীয়াই। সভাত অসম গণিত শিক্ষায়তনৰ সম্পাদক ড° জ্ঞানজ্যোতি শৰ্মাও উপস্থিত থাকে। সভাই যোৰহাট শাখাৰ বাবে সভাপতি ড° ৰাফেল কুমাৰ শইকীয়া, উপসভাপতি শ্ৰীৰঞ্জন শৰ্মা, সাধাৰণ সম্পাদক কাকলি বৰঠাকুৰ, যুটীয়া সম্পাদক ত্ৰিদিব জ্যোতি নেওঁগ আৰু কৌস্তভ বৰা, কোষাধ্যক্ষ কংকণ কিশোৰ দত্তৰ নাম অনুমোদন কৰি প্ৰস্তাৱ গ্ৰহণ কৰে।

যোৰহাট শাখাই ২৫/০৯/২০১৯ তাৰিখ দেওবাৰে বামুন পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত এখনি গণিতৰ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ৩১/১০/২০১৯ তাৰিখটো অন্তিম তাৰিখ ঘোষণা কৰি এখনি গণিতৰ ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২১/০১/২০২০ তাৰিখ দেওবাৰে চিনামৰা উচ্চ মাধ্যমিক বিদ্যালয়ত গণিতৰ আৰ্হি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ২৯/০১/২০২০ তাৰিখ দেওবাৰে অসম গণিত শিক্ষায়তনৰ আজীৱন সদস্য, আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত গণিতজ্ঞ প্ৰয়াত ড° দিলীপ কুমাৰ দত্তচাৰৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি শোক প্ৰস্তাৱ লোৱা হয়। কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক উপস্থিত থাকে।

অহা ইং ১৫/০৩/২০২০ তাৰিখ দেওবাৰে যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত যোৰহাট শাখাৰ মুকলি সভা আয়োজন কৰা হৈছে। এই সভাতে প্ৰতিযোগিতা সমূহৰ পুৰস্কাৰ বিতৰণ কৰা হ'ব আৰু অংশ গ্ৰহণ কৰা প্ৰতিজন প্ৰতিযোগিতাৰ বিজয়ীসকলক নগদ ধন, মানপত্ৰ আৰু চলন্ত ট্ৰফী প্ৰদান কৰা হ'ব। প্ৰতিবছৰে এই তিনিওটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। সভাত আন্তঃৰাষ্ট্ৰীয় গণিত দিৱসৰ লগত সংগতি ৰাখি শ্ৰদ্ধাৰ প্ৰয়াত ড° দিলীপ কুমাৰ দত্তচাৰৰ সোঁৱৰণী স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব।